জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ৮০১/২০২০**

# চিত্ৰ-ভাস্কৰ্য শিল্পী বেণু মিশ্ৰৰ আবক্ষ মূৰ্তি উন্মোচন কৰিলে মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীয়ে

## শিল্পীসকলে প্ৰকৃতিৰ সীমাবদ্ধতাত সন্তুষ্ট নাথাকে ঃ হৃষীকেশ গোস্বামী

**দিছপুৰ, ২৯ নৱেম্বৰ ঃ** মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীয়ে আজি গুৱাহাটী আৰ্টিষ্টছ গীল্ডৰ প্ৰাঙ্গণত যশস্বী চিত্ৰ-ভাস্কৰ্য প্ৰয়াত শিল্পী বেণু মিশ্ৰৰ এক আবক্ষ মূৰ্তি উন্মোচন কৰে।

এই উপলক্ষে গীল্ডৰ সভা কক্ষত অনুষ্ঠিত এখন সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা গোস্বামীয়ে কয়যে শিল্পীসকলে প্ৰকৃতিৰ সীমাবদ্ধতাত সন্তুষ্ট নাথাকি তাক অতিক্ৰমী সুন্দৰৰ সন্ধান কৰে। সেইবাবে মানুহে বাসস্থান নিৰ্মাণ, কৃষি-উদ্যোগ ইত্যাদিকে ধৰি সকলো ক্ষেত্ৰতে সৃজনীমূলক শক্তিৰ প্ৰয়োগ কৰিব পাৰে। বিজ্ঞানৰ ক্ষেত্ৰত ন-ন আৱিষ্কাৰ কৰিবলৈ সক্ষম হৈছে। মিডিয়া উপদেষ্টা গৰাকীয়ে কয় যে মানুহ জন্মগত ভাবে কাৰিকৰ। পশু আৰু মানুহৰ পাৰ্থক্যৰ বিষয়টো আলোকপাত কৰি তেওঁ কয় যে মানুহৰ উদ্ভাৱনী শক্তি আছে। সেই শক্তিৰে মানুহে নতুনত্বৰ দিশত অগ্ৰসৰ হয়। পশুৱে প্ৰকৃতিৰ সীমাবদ্ধতাতে সন্তুষ্ট থাকিবলগীয়া হয়। শিল্পীসকলৰ আত্মপ্ৰকাশ আৰু কাৰিকৰী শক্তি থাকে বুলি উল্লেখ কৰি তেওঁ কয় যে সংশোধন আৰু সংযোজনৰ মাজেৰে শিল্পীয়ে সৃষ্টি কৰ্মত নিয়োজিত হ'ব পাৰে।

শিল্পীসকল শিশু মনৰ অধিকাৰী বুলি উল্লেখ কৰি মিডিয়া উপদেষ্টা গৰাকীয়ে কয় যে বেণু মিশ্ৰই নিজৰ কৰ্মৰ মাজেৰে এই কথা প্ৰমাণিত কৰিছে। তেওঁ কয় যে প্ৰয়াত বেণু মিশ্ৰৰ জীৱন বহুমাত্ৰিক আছিল। অকল শিল্প কৰ্মতে নিয়োজিত হৈ নাথাকি ৰাজনীতি, সঙ্গীতকে ধৰি বিভিন্ন বিষয় সম্পৰ্কে জনাৰ আগ্ৰহ প্ৰকাশ কৰিছিল। শিল্পীগৰাকীৰ সৈতে থকা আত্মিক সম্পৰ্কৰ কথা আলোকপাত কৰি তেওঁ কয় যে এই গৰাকী শিল্পীক সকলোৰে মনত সজীৱ কৰি ৰাখিব লাগিব। আজি প্ৰতিষ্ঠা কৰা শিল্পী গৰাকীৰ আবক্ষমূৰ্তিয়ে নতুন প্ৰজন্মক বেণু মিশ্ৰৰ সৃষ্টি কৰ্মৰে আগুৱাই যাবলৈ প্ৰেৰণা যোগাব বুলিও তেওঁ কয়। আৰ্টিষ্টছ গীল্ডৰ এই প্ৰয়াস মহৎ কাৰ্য বুলিও তেওঁ কয়।

গুৱাহাটী আৰ্টিষ্টছ গীল্ডৰ সভাপতি আমিনুল হকে আদৰণী ভাষণ দিয়া আজিৰ এই সভাত অসম সাহিত্য সভাৰ সভাপতি কুলধৰ শইকীয়া, বিশিষ্ট শিক্ষাবিদ, সাহিত্যিক অমৰজ্যোতি চৌধুৰী, ভাস্কৰ্য শিল্পী বীৰেন সিংহ, প্ৰয়াত শিল্পী গৰাকীৰ সহধৰ্মিনী ৰাজলক্ষ্মী মিশ্ৰই ভাষণ প্ৰদান কৰে। সভাত গীল্ডৰ বাৰ্ষিক শিল্পকলাৰ আলোচনী উন্মোচন কৰে বিশিষ্ট সাহিত্যিক তথা অসম সাহিত্য সভাৰ সভাপতি কুলধৰ শইকীয়াই

**পুঃডেঃ**
**২৯/১১/২০২০**